পাঠ ৬

# দীঘল-ঠেঙীয়া

A7X3H8



এসময়ৰ কথা। এজনী বুঢ়ী আছিল। তেওঁ এজাক গৰু পুহি কোনোমতে টুক্-টুক্, টাক্-টাক্কৈ খাই বৈ আছিল। তেওঁৰ শোৱা ঘৰটো বৰ পুৰণি। তাৰ ছালৰ খেৰবোৰ উৰলি গৈছে দেখি উৰুখি বৰষুণৰ পানী পৰে। এদিন ডাৱৰীয়া ৰাতি তেওঁ খাই-বৈ উঠি —'এ প্ৰভু, দীঘল-ঠেঙীয়াই নেপায় যেন' এই বুলি চাঙত উঠি শুবলৈ ল'লে।

সেই দিনা ৰাতি এটা চোৰে বুঢ়ীৰ গৰু এটা চুৰ কৰি নিবলৈ বুলি আহি গোহালিৰ কাযতে লুকাই বহি, বুঢ়ী শোৱালৈ বাট চাই থাকিল। এটা বাঘেও গৰু খাবলৈ মন কৰি

আন্ধাৰে-মুন্ধাৰে মনে মনে আহি বুঢ়ীৰ গোহালিৰ গৰুজাকৰ মাজত সোমাই বুঢ়ী শোৱালৈ বাট চাই আছিল। বুঢ়ীয়ে কোৱা সেই কথাষাৰ বাঘ আৰু চোৰ দুয়ো শুনিলে। কিন্তু দীঘল-ঠেঙীয়া মানে কি সিহঁতে বুজিব নোৱাৰি ভাবিবলৈ ধৰিলে, 'দীঘল-ঠেঙীয়াটো বা কি?'

বুঢ়ীৰ ভাত-ঘুমটি আহিল। চোৰে গৰু চুৰ কৰিবলৈ গোহালিত সোমাল। চোৰে ভাবিলে 'কোনটো গৰু ভাল কোনটো গৰু বেয়া কেনেকৈ চিনিম? এতেকে যিটো গৰুৰে তাৰ টিকাত হাত দিলেই জঁপিয়াই উঠিব সেইটোৱেই নিশ্চয় চেঙা আৰু ভাল হ'ব।'



ইয়াকে থিৰ কৰি এটা এটাকৈ গৰুবোৰৰ টিকাত সি হাত ফুৰাবলৈ ধৰিলে। সেইদৰে সি হাত ফুৰাই চাই ফুৰোঁতে বাঘটোৰ টিকাত হাত পৰিলত বাঘটো জঁপিয়াই উঠিল। চোৰে ভাবিলে, 'এইটো বৰ কাটন গৰু, ইয়াকে নিব লাগিল।' ইয়াকে ভাবি সি বাঘটোৰ নেজডাল পকাই দি তাক খেদি লৈ যাব খোজোঁতেই বাঘে ভাবিলে, 'এইটো বুঢ়ীয়ে কোৱা দীঘল-ঠেঙীয়াইহে মোক পালে।' এই ভাবি সি আকৌ জাঁপ মাৰি উঠিল। চোৰে ভাবিলে 'ই কম গৰু নহয়, ইয়াৰ পিঠিত নুঠিলে ইয়াক লৈ যাব নোৱাৰিম'। ইয়াকে ভাবি চোৰ জাঁপ মাৰি বাঘৰ পিঠিত উঠিলতে, বাঘে ঠিক তাক দীঘল-ঠেঙীয়াই ভালকৈয়ে পালে বুলি থিৰ কৰি



DAILY ASSAM

গোহালিৰ পৰা ওলাই চেঁকুৰি লৰ মাৰিলে। চোৰেও গৰুটোৰ কেৰামতালি দেখি বুজিলে, 'এইটো গৰু নহয়, কিবা দীঘল-ঠেঙীয়াহে। আজি মোক সঁচাকৈয়ে দীঘল-ঠেঙীয়াই ভালকৈয়ে পালে।' দুয়ো দুয়োকো দীঘল-ঠেঙীয়া ভাবি ভয়ত তৎমৎ এৰিলে।

চোৰক পিঠিত লৈ বাঘে ঢাপলি মেলি হাবিত সোমাবলৈ ধৰোঁতেই চোৰে মৰোঁ-জীওঁকৈ বাঘৰ গলধনটো মোকোটাই ধৰিলে।তেতিয়া বাঘে ভাবিলে, 'অ' ই দীঘল-ঠেঙীয়া নহয়, ঘাৰ-মোকোটোৱাহে।' বাঘে ভয়ত আৰু বেগেৰে লৰ দিবলৈ ধৰিলে। চোৰটোৱে ঘাৰ মোকোটায়ো বাঘক ৰাখিব নোৱাৰি শেহত বাঘৰ নেগুৰত হাত পৰিলত বাঘৰ লৰ আৰু চৰিল। লৰৰ কোবত চোৰটো বাঘৰ পিঠিৰ পৰা বাগৰি মাটিত পৰিল। কিন্তু সি বাঘৰ নেগুৰডালত ইমান বজ্ৰলেপ মুঠিৰে ধৰিছিল যে নেগুৰডাল চোৰৰ হাতৰ মুঠিতে পেঁপা-কাঢ়ি ৰ'ল। বাঘ লৰ মাৰি সাৰিল। সি হাবিৰ ভিতৰ পাই অলপ উশাহ লৈ ভাবিলে, তাক ঘাৰ-মোকোটোৱাই নহয়, পেঁপা-কঢ়াইহে পাইছিল। ইফালে চোৰে হাতৰ নেগুৰডাল পিটিকি-জিটিকি চাই দেখিলে যে সেইডাল গৰুৰ কি আন জন্তুৰ নেজ নহয় বাঘৰহে নেজ। তেতিয়াহে তাৰ বৰ ভয় লাগিবলৈ ধৰিলে। ৰাতি তেতিয়া ভালেমান আছিল। সেই দেখি সি ৰাতিটোৰ বাকীডোখৰ কটাবলৈ ওচৰৰে ওখ আম গছ এজোপাত উঠিল।

ইফালে বাঘে হাবিত সোমাই তাক পেঁপা-কঢ়াই পোৱা কথা তাৰ লগৰীয়া ভাই-বন্ধুহতঁক ক'লত, সিহঁতে গুণি-গাঁঠি থিৰ কৰিলে যে 'এইটো বৰ লাজৰ কথা হ'ল। সিহঁত বনৰ ৰজা; এতেকে সিহঁতৰ লগৰীয়া ভাই ৰজা এজনক পেঁপা-কঢ়াই এনে লঘু-লাঞ্ছনা কৰিব, ই বৰ অসহনীয় কথা। ইয়াৰ প্ৰতিকাৰ নকৰিলে পেঁপা-কঢ়াই পোৱা সেই বাঘটোৰ মাথোন নেজডালহে গৈছে, সিহঁতৰ কিন্তু অপমানত নাক-কাণ সোপাই যাব আৰু তাৰ বাহিৰেও পেঁপা-কঢ়া বুলি যদি কোনো জন্তু সিহঁতকৈ বলী হৈ ওলায়, তেন্তে সিহঁত ৰজাৰ শাৰীৰ পৰা গৈ খৰি-ভাৰী. পানী-ভাৰীৰ শাৰীত পৰিবগৈ।'





DAILY ASSAM

সেইদেখি সকলোবোৰ বাঘে লৰালৰিকৈ মেল পাতি ইয়াকে আলচ কৰিলে যে অলপো পলম নকৰি তেতিয়াই সিহঁতে পেঁপা-কঢ়াৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰা উচিত। দুকুৰি মান বাঘে পেঁপা-কঢ়াক বিচাৰি চলাথ লগালে, কিন্তু ক'তো সিহঁতে পেঁপা-কঢ়াক নেদেখিলে। শেহত এটা বাঘৰ চকু সেই আমজোপাৰ আগত পৰিলত, সি পেঁপা-কঢ়াক তাত বহি থকা দেখিলে। সেইটো পেঁপা-কঢ়া বুলি আঙুলিয়াই দেখুৱালত এটাইবোৰ বাঘে একেবাৰে হাউৰি মাৰি উঠিল। কিছুপৰ সিহঁতে ভাবি-চিন্তি বুধি এটা সাজিলে। পেঁপা-কঢ়াক ঢুকি পাবলৈ সিহঁতে এটাৰ পিঠিত এটা, আকৌ সেইটোৰ পিঠিত আন এটা সেইদৰে উঠি উঠি ওখ হৈ গ'ল। চোৰে ভাবিলে, 'এতিয়া সৰ্বনাশ। এতিয়াহে বিপাঙে মৰিলোঁ।' তৎক্ষণাৎ চোৰেও এটা বুধি উলিয়ালে। সি দেখিলে যে নিচেই তলত পেঁপা-কঢ়াই পোৱা সেই বাঘটো। সেই নেগুৰখঁৰা বাঘটোক চোৰটোৱে গলগলীয়া মাতেৰে মাত লগালে, 'খঁৰা, চাবি, চাবি, চাবি।' খঁৰা বাঘে ভাবিলে, 'আকৌ পেঁপা-কঢ়াই আনবোৰক এৰি মোকহে ধৰে নেকি?' ইয়াকে ভাবি সি সুৰ্তি-বুদ্ধি হেৰুৱাই হাবিৰ ফালে লৰ ধৰিলে। সি তেনে কৰিলত তাৰ পিঠিত এটা এটাকৈ উঠি ওখ হৈ যোৱা আটাইবোৰ বাঘ ঠল্ঠল্ কৰে মাটিত সৰি পৰিল। সিহঁতেও 'আমাকো পেঁপা-কঢ়াই পালে' বুলি ভাবি বৰকৈ ভয় খাই তৰা-নৰা ছিঙি ল'ৰি হাবিলৈ পলাই গুচি গ'ল।

চোৰে ৰাতিটো তাতে থাকি পুৱাতে গছৰ পৰা নামি তাৰ ঘৰলৈ গুচি আহিল; আৰু তেতিয়াৰে পৰা সি আৰু চুৰ নকৰে বুলি শপত খালে।

*(ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ শতবৰ্ষ অতিক্ৰম কৰা 'বুঢ়ীআইৰ সাধু'ৰ পৰা লোৱা হৈছে।*
*উৎস ঃ বেজবৰুৱা গ্ৰন্থাৱলী, প্ৰথম খণ্ড, পৃষ্ঠা - ৮৭০, প্ৰকাশক ঃ সাহিত্য প্ৰকাশ)*

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া



**সাধুটো পঢ়া আৰু নিজৰ কথাৰে কোৱা।**



**সাধুটোত থকা তুমি বুজি নোপোৱা শব্দবোৰৰ তলত আঁচ টানা। শব্দ-সম্ভাৰ আৰু অভিধান চাই অৰ্থ লিখা।**



**উত্তৰ দিয়া।**

(ক) 'যিটো গৰুৱে তাৰ টিকাত হাত দিলেই জঁপিয়াই উঠিব সেইটোৱেই নিশ্চয় চেঙা আৰু ভাল হ'ব।' এই কথাষাৰ কোনে ভাবিছিল?

(খ) 'এইটো বৰ কাটন গৰু, ইয়াকে নিব লাগিল' — এইদৰে কোনে ভাবিছিল?

(গ) 'এ প্ৰভু, দীঘল-ঠেঙীয়াই নেপায় যেন।' — এই কথাষাৰ কোনে কৈছিল?

(ঘ) 'আমাকো পেঁপা-কঢ়াই পালে।' —কোনে, কেতিয়া কৈছিল?



**'ই কম গৰু নহয়, ইয়াৰ পিঠিত নুঠিলে ইয়াক লৈ যাব নোৱাৰিম।' প্ৰকৃততে কাৰ পিঠিত কোন উঠিব খুজিছিল লিখা।**



**বাঘে চোৰটোকে দীঘল-ঠেঙীয়া বুলি ভাবিছিল। দীঘল-ঠেঙীয়া বুলি ভবাৰ উপৰি আৰু কি কি বুলি ভাবিছিল ?**

(ক) দীঘল-ঠেঙীয়া

(খ) ..........................

(গ) ..........................



**উত্তৰ দিয়া।**

(ক) বুঢ়ীয়ে দীঘল-ঠেঙীয়া বুলি কাক বুজাইছিল ?

(খ) বাঘবোৰে কি কৌশলেৰে চোৰটোক ধৰিবলৈ চেষ্টা কৰিছিল ?

(গ) চোৰটোৱে অৱশেষত কেনেকৈ বাঘবোৰৰ হাতৰ পৰা ৰক্ষা পৰিছিল ?

(ঘ) চোৰটোৱে ঘৰলৈ আহি কি সিদ্ধান্ত লৈছিল ?

**তলৰ শব্দসমূহৰ লগত অৰ্থৰ মিল থকা শব্দ বাকচৰ পৰা বিচাৰি আনি কাষৰ খালী ঘৰত লিখোঁ আহা।**

| | | | |
|---|---|---|---|
| চাং | | অসহনীয় | |
| চেঙা | তজবজীয়া | গভীৰ | |
| তৎমৎ | | কাটন | |
| খঁৰা | | গলধন | |

| | | | |
|---|---|---|---|
| তজবজীয়া, | নেজছিগা, | চেতনা, | বাঁহৰ বিছনা, |
| সহিব নোৱৰা, | বহুত তললৈ বিস্তৃত, | চোকা, | ডিঙিৰ পাছফাল, |

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)



### যুক্তাক্ষৰ গঠন কৰোঁ আহা

| | | | | |
|---|---|---|---|---|
| বজ্ৰপাত | জ্ৰ | জই | ৰই | জ্ৰ |
| আন্ধাৰ | ন্ধ | নই | ধই | ন্ধ |



### পঢ়োঁ আহা

| | | |
|---|---|---|
| বজ্ৰ | বজ্ৰপাত | বজ্ৰলেপ |
| কাণ্ড | প্ৰকাণ্ড | কৰ্মকাণ্ড |
| ব্ৰহ্মা | ব্ৰহ্মাণ্ড | ব্ৰহ্মানন্দ |
| অন্ধ | আন্ধাৰ | অন্ধকাৰ |



বজ্ৰ ইন্দ্ৰৰ প্ৰধান অস্ত্ৰ।

সেইবাবে ইন্দ্ৰৰ অন্য নাম বজ্ৰধৰ আৰু বজ্ৰপাণি।

ভয়ংকৰ গাজনিৰে সৈতে বিজুলীৰ পতন হ'লে বজ্ৰপাত হোৱা বা চৰগ পৰা বুলি কোৱা হয়।

বজ্ৰলেপ মানে এৰুৱাব নোৱৰাকৈ বা লেকেটা লাগি ধৰা।



### যুক্তাক্ষৰ ভাঙি লিখোঁ আহা

জ্ৰ ___ + ___ = ___

ন্ধ ___ + ___ = ___


শ্চ ___ + ___ = ___

ণ্ড ___ + ___ = ___

**বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।**

দীঘল ◯ অসহায় ◯
আন্ধাৰ ◯ বলী ◯
পুৰণি ◯ ৰাতি ◯
গভীৰ ◯

**বাক্য ৰচনা কৰা।**



(ক) চেঙা [গাত হাত দিবলৈ নিদিয়া (জন্তু) অস্থিৰ, তজবজীয়া]
(খ) চেঙা (তপত, যেনে-চেঙা তেল)
(গ) চেঙা (এবিধ মাছ)
(ঘ) চেঙালুটি (চেঙা মাছৰ দৰে কৰা লুটিয়া-লুটি, বেদনাত কৰা ধৰ্-ফৰণি)
(ঙ) চেঙা-হিলৈ (আহোম ৰজাৰ দিনৰ এবিধ বন্দুক)

**গ— জ্ঞান সম্প্ৰসাৰণ**

**বুঢ়ীয়ে গৰু পুহি জীৱিকা নিৰ্বাহ কৰিছিল। এনেদৰে আন কি কি পোহনীয়া জীৱ-জন্তুৱে আমাৰ জীৱিকা নিৰ্বাহত সহায় কৰে?**

**দীঘল-ঠেঙীয়া সাধুটোত গৰু চুৰি কৰিবলৈ আহি চোৰটোৰ নগুৰ্-নাগতি হোৱা তোমালোকে দেখিলা। বেয়া কামৰ পৰিণতি শুভ নহয়। তোমালোকে কোনবোৰ কামক বেয়া বুলি ভাবা?**

**বৰ্তমান সময়ত বাঘৰ সংখ্যা কমি যোৱাৰ কাৰণ কি? তোমাৰ কথাৰে লিখা।**

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

বৰ্তমান বাঘৰ সংখ্যা ক্ৰমশঃ হ্ৰাস পাই আহিছে। গতিকে আমি বাঘ সংৰক্ষণ কৰাৰ কাৰণে কি কৰা উচিত?

এতিয়া অৰণ্য এৰি বাঘে জন অৰণ্যত প্ৰৱেশ কৰা বা-বাতৰি শুনিছা। অৰণ্য এৰি বাঘ জনবসতিপূৰ্ণ অঞ্চললৈ অহাৰ কাৰণবোৰ কি কি বুলি ভাবা? এনেদৰে যদি তোমালোকৰ অঞ্চলত বাঘ বা আন বন্য প্ৰাণী ওলায়, তেতিয়া তুমি কি কৰিবা?

বন বিভাগে বাঘ সংৰক্ষণৰ বাবে 'ব্যাঘ্ৰ প্ৰকল্প' প্ৰৱৰ্তন কৰিছে।

'তেন্তে সিহঁত ৰজাৰ শাৰীৰ পৰা গৈ খৰি-ভাৰী, পানী-ভাৰীৰ শাৰীত পৰিবগৈ।' এনেদৰে ভাৰ বোৱা অৰ্থাৎ "ভাৰী" শব্দ প্ৰয়োগ কৰি অন্য শব্দ কিছুমান লিখা।

দোলা ..........................

পাচলি ..........................

ডাঙৰি ..........................

মাছ ..........................

দৈ ..........................



জানো আহা

'কোনটো গৰু **ভাল** কোনটো **বেয়া**, আন্ধাৰে-মুন্ধাৰে কেনেকৈ চিনিম?'
ওপৰৰ বাক্যটোত **'ভাল'** আৰু **'বেয়া'** শব্দ দুটাই **'গৰু'** পদটোৰ দোষ-গুণ বুজাইছে। এনেদৰে অইন পদৰ দোষ-গুণ বুজোৱা পদকে **বিশেষণ পদ** বুলি কোৱা হয়। যেনে— **দীঘল, চুটি, ৰঙা, নীলা, ধুনীয়া, ওখ, চাপৰ, কুৎসিত, চেঙা, গৰিষ্ঠ** আদি।

☞ *পাঠটোত থকা আন বিশেষণ পদবোৰ বিচাৰি উলিয়াই লিখাব।*

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



'বুঢ়ীৰ ভাত-ঘুমটি আহিল।' ভাতৰ লগত ঘুমটি শব্দ যোগ হৈ ভাত-ঘুমটি হ'ল। এইদৰে ভাত শব্দটো যোগ হৈ গঠিত হোৱা কেইটামান শব্দ আৰু তাৰ অৰ্থ জানো আহা।

| | |
|---|---|
| ভাত-কেৰেলা — | তিতা গুণ নথকা এবিধ কেৰেলা। |
| ভাত-ঘিলা — | ঘিলাৰ নিচিনা ছেঁই ধৰা এবিধ গছ। |
| ভাত-জ্বৰ — | এবিধ খন্তেকীয়া সামান্য জ্বৰ। |
| ভাত-জাৰ — | জাৰকালি ভাত খোৱাৰ পাছত লগা অধিক জাৰ। |
| ভাত-তিতা — | ভাতৰ লগত খোৱা এবিধ তিতা গুটি আৰু তাৰ গছ। |
| ভাত-পিঠা — | পানী বা গাখীৰত পিঠাগুৰি গুলি চালনীৰে সৰকাই তাৰ তলত উতলি থকা পানীত সিজাই কৰা এবিধ পিঠা। |
| ভাত-ভাৰী — | ভতুৱা। |
| ভাত-মৰ্ — | জীৱিকাৰ উপায় নষ্ট হ। |
| ভাত-ফেঁচু — | শালিকা জাতিৰ এবিধ চৰাই। |
| ভাত-ঘৰ — | মন কৰিলেই ভাত খাব পৰা অতি আপোন মানুহৰ ঘৰ। |



**ঘ— প্ৰকল্প**

- 'দীঘল-ঠেঙীয়া' নামৰ এই সাধুটো লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু'ৰ পৰা লোৱা হৈছে। এনেকুৱা সাধুকথা প্ৰত্যেকে এটাকৈ সংগ্ৰহ কৰি পঢ়া আৰু শ্ৰেণীকোঠাত আনকো পঢ়ি শুনোৱা।

- 'দীঘল-ঠেঙীয়া' সাধুটোৰ নাট্যৰূপ দি অভিনয় কৰা (প্ৰয়োজনবোধে শিক্ষক নাইবা স্থানীয় সমল ব্যক্তিৰ সহায় ল'বা আৰু সম্ভৱ হ'লে চৰিত্ৰবোৰৰ লগত খাপ খোৱা মুখা ব্যৱহাৰ কৰিবা)।

- বনৰীয়া জীৱ-জন্তু থকা এখন হাবিৰ ছবি আঁকা।